# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-03-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কাইলৈ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি।

২। বৰপেটা জিলাৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰত ১৯ কোটি টকা ব্যয় সাপেক্ষে মুখ্যমন্ত্ৰীৰ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

৩। ৰাজ্যৰ বিভিন্ন স্থানত পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদযাপন।

৪। অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে আজি বিজেপিৰ ছটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা। ***আৰু***

৫। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ মুম্বাই ইণ্ডিয়ানছ আৰু ডেলহি কেপিটেলছ মুখামুখি।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ নৱনিৰ্মিত ভৱন মুকলি কৰিব। ১৬৭ কোটি ৪০ লাখ টকাৰ ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ইয়াৰ পাছত গৃহমন্ত্ৰীগৰাকী যোৰহাট হৈ আইজললৈ যাত্ৰা কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে, যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত সম্পাদিত চুক্তি অনুসৰি আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ঘাটি আইজলৰ পৰা জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ'ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী আইজলৰ পৰা গুৱাহাটীলৈ উভতি আহি কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত নিশাটো অতিবাহিত কৰিব। পৰহিলৈ গৃহমন্ত্ৰীগৰাকীয়ে কোকৰাঝাৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে শ্ৰীশ্বাহে গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত

ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বৰপেটা জিলাৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰত ১৯ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ৫০ লাখ টকা ব্যয় সাপেক্ষে পাটবাউসী সত্ৰৰ শ্ৰীশ্ৰীশংকৰদেৱ থানত নিৰ্মাণ কৰা সংগ্ৰহালয়টো মুকলি কৰে। ড০ শৰ্মাই শ্ৰীশ্ৰী শংকৰদেৱ থান, দেৱ দামোদৰ গুৰুৰ আদিধাম, চূণপোৰা ভিঠি থানত সেৱা আগবঢ়োৱাৰ উপৰি ইয়াৰ সৈতে জড়িত বহুকেইটা সৌন্দৰ্যবৰ্ধন আৰু উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৰপেটাত পৰ্যটন আৰু তীৰ্থ ভ্ৰমণৰ সুবিধাৰ বিকাশৰ উপৰি সবল আন্তঃগাঁথনিৰে নিয়োগ আৰু ৰাজহ সৃষ্টিৰ ক্ষেত্ৰত এই প্ৰকল্পসমূহে বিশেষভাৱে অৰিহণা যোগাব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই আজি দৌল উৎসৱ উপলক্ষে বটদ্ৰৱা থানলৈও যায়। তাত তেওঁ ভক্তসকলৰ সৈতে নাগাৰা নাম পৰিৱেশত যোগ দিয়াৰ লগতে দৌল উৎসৱত ভাগ লয়। তেওঁ লগতে বৰপেটাৰ অনুপম হোলী গীত পৰিৱেশনো উপভোগ কৰে। কাৰ্যসূচীৰ অন্তত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত কয়, যে ৰাজ্য চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন পৰিক্ৰমাৰ লগত জড়িত প্ৰতিখন সত্ৰ আৰু থানৰ উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

***(বাইট ঃ ড০ হিমন্ত বিশ্ব শৰ্মা)***

মুখ্যমন্ত্ৰীগৰাকীক আজি বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, ৰঞ্জিত কুমাৰ দাসৰ উপৰি বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে সংগ দিয়ে।

০০০০০

অসমৰ গামোচাই ভৌগোলিক মান্যতা লাভ কৰাৰ পাছত জিলা প্ৰশাসনসমূহে বহিঃৰাজ্যৰ গামোচা যাতে বেচা-কিনা নহয় এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি আহিছে। হোজাই জিলা প্ৰশাসনে ব্যক্তি অথবা ব্যৱসায় প্ৰতিষ্ঠানক থলুৱা শিপিনীৰ দ্বাৰা উৎপাদিত হাতে বোৱা গামোচা ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, এই নিষেধাজ্ঞাক আওকান কৰা ব্যক্তি বা ব্যৱসায়ী প্ৰতিষ্ঠানৰ বিৰুদ্ধে ভাৰত চৰকাৰৰ হস্ততাঁত আইন ১৯৮৫ৰ তিনি নম্বৰ ধাৰাৰ অধীনত ব্যৱস্থা লোৱা হয়। সেই অনুসৰি ছমাহ কাৰাদণ্ড আৰু পাঁচ হাজাৰ টকা জৰিমনা ভৰিবলগীয়া হয়।

০০০০০

ৰাজ্য চৰকাৰৰ গজমিত্ৰ আঁচনিত অহা এপ্ৰিলৰ পৰা গোলাঘাট জিলাৰ নাম অন্তৰ্ভুক্ত কৰা হ'ব বুলি বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি এখন সংবাদমেলত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, অসম বিধানসভাৰ বাজেট অধিৱেশনত শেহতীয়াকৈ ঘোষণা কৰা অনুসৰি গজমিত্ৰ আঁচনিত ৰাজ্যখনৰ হাতী-মানুহৰ সংঘাত থকা ৫ খন জিলাক অন্তৰ্ভুক্ত কৰা হৈছিল। দীৰ্ঘদিনধৰি গোলাঘাট জিলাত এই সংঘাত চলি থকাৰ পাছতো গজমিত্ৰ আঁচনিত জিলাখনৰ নাম অন্তৰ্ভুক্ত নোহোৱাক লৈ জনসাধাৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আহিছিল। ইয়াৰ ফলস্বৰূপে আজি বিত্তমন্ত্ৰীগৰাকীয়ে এখন সংবাদমেলৰ জৰিয়তে গোলাঘাট জিলাক এই আঁচনিত অন্তৰ্ভুক্ত কৰাৰ কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এইবাৰৰ বাজেটত উল্লেখ কৰা অন্যান্য আঁচনিসমূহৰ বিষয়েও জনসাধাৰণক অৱগত কৰে।

০০০০০

অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা জাহ্নু বৰুৱালৈ ২০২৫ বৰ্ষৰ মঘাই ওজা বঁটা আগবঢ়াইছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সৌজন্যত আৰু যোৰহাট জিলা সমিতিৰ উদ্যোগত জিলাখনৰ চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কাইলৈ আয়োজন কৰা কেন্দ্ৰীয় কাৰ্যসূচীত জাহ্নু বৰুৱাক এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদযাপন কৰা হৈছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত কালি সন্ধিয়া গন্ধযাত্ৰাৰে দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰতো দৌল মহোৎসৱ উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে। ওড়িশাৰ পৰা হোলী গীতৰ দল, মণিপুৰী সাংস্কৃতিক দল, আদিবাসী সাংস্কৃতিক দলৰ লগতে বিভিন্ন স্থানীয় শিল্পীৰ গীত পৰিৱেশনেৰে সত্ৰ নগৰীখন প্ৰাণ চঞ্চল হৈ উঠিছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত গুৰুজনাই প্ৰায় ৫০০ বছৰ পূৰ্বে আৰম্ভ কৰা পৰম্পৰাৰ সৈতে সংগতি ৰাখি বটদ্ৰৱা সত্ৰত কালিৰেপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। বটদ্ৰৱাৰ দৌল উৎসৱ উদযাপন সন্দৰ্ভত সবিশেষ জনাইছে নগাঁৱৰ পৰা আমাৰ সংবাদদাতা মুনিন্দ্ৰ শইকীয়াই–

***(বাইট ঃ মুনিন্দ্ৰ শইকীয়াই)***

দৌল যাত্ৰা উৎসৱৰ সৈতে সংগতি ৰাখি আজিৰ পৰা আকাশীগংগাৰ তীৰৰ আই খেৰসুঁতি প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

যোৰহাট জিলাৰ ৰংদৈত তিনি দিনীয়া কাৰ্যসূচীৰে শ্ৰী শ্ৰী গোবিন্দৰ দৌল যাত্ৰা উদ্‌যাপন কৰা হৈছে। সেই অনুসৰি ৰংদৈ বামুনগাঁৱৰ ভাগত মন্দিৰত আয়োজন কৰা কাৰ্যসূচীত গোবিন্দৰ অধিবাস পূজা, নাম-কীৰ্তন আৰু দক্ষ-যজ্ঞ, ভাওনা অনুষ্ঠিত হ'ব।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত কালিৰে পৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। মুখাশিল্পৰ বাবে বিশ্বখ্যাত চামগুৰি সত্ৰত চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে।

গোৱালপাৰা জিলাতো দৌল উৎসৱ উপলক্ষে জনসাধাৰণৰ মাজত আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত কালিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে এই উৎসৱ অনুষ্ঠিত হৈছে। গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ কেৰলীয়া হাটী সত্ৰত কালি অধিবাস আৰু সান্ধ্য কীৰ্তনেৰে ৫ দিনীয়া দৌল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ উদযাপন কৰা হৈছে।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাকে ধৰি প্ৰায়বোৰ জিলাতে কাইলৈ স্থানীয় বন্ধ ঘোষণা কৰিছে।

বাক্সা জিলাৰ শ্ৰীশ্ৰী নৰসিংহ কীৰ্তন ঘৰত ৭ দিনীয়া কাৰ্যসূচীৰে আয়োজিত দৌল উৎসৱত আজি নৰসিংহ নামৰ এখন স্মৰণিকা উন্মোচন কৰা হয়। দৌল উৎসৱৰ লগত সংগতি ৰাখি ১৮ মাৰ্চত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। জিলাখনৰ চমুৱাৰ শ্ৰীকৃষ্ণ দৌল মন্দিৰ প্ৰাংগণত ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত দৌল মহোৎসৱত আজি হোম-যজ্ঞ, ঘোষাপাঠ কৰাৰ উপৰি নিশাৰ ভাগত **আউসীৰ জোনাক** শীৰ্ষক এখনি নাটক মঞ্চস্থ কৰা হ'ব।

ফাকুৱা উপলক্ষে শিলচৰতো আজি আৰ্য সংস্কৃতি বোধনি সমিতিৰ উদ্যোগত কেইবাটাও সংগঠনে শিলচৰৰ নৰ্মেল স্কুল চৌহদত ফুলদৌল শীৰ্যক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰে। এই সমিতিখনে কেইবাবছৰ ধৰি কেৱল ফুলেৰে দৌল পূৰ্ণিমা পালন কৰি আহিছে।

কোচবিহাৰৰ ইতিহাস প্ৰসিদ্ধ মধুপুৰ সত্ৰতো কালিৰে পৰা তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হৈছে। আজি গোসাঁইৰ সন্মুখত নাম প্ৰসংগ আৰু পৰহিলৈ গোসাঁইক লৈ শোভাযাত্ৰা কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত **ফাকুৱা বা দৌল উৎসৱৰ ৰং** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যখনত থকা আকাশবাণীৰ কেইবাগৰাকীও সংবাদদাতা আৰু কেইবাগৰাকীও শ্ৰোতাই সময়ৰ সোঁতত এই উৎসৱৰ পৰিৱৰ্তন আৰু আকৰ্ষণ সম্পৰ্কত মতামত ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আনহাতে, বাতৰি বিভাগে অহা দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত গুৱাহাটীত কৰ্মৰত সাংবাদিকসকলে পৰিৱেশন কৰা **গান্ধাৰীৰ অভিশাপ** নামৰ ভাওনাৰ বিষয়ে বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই ভাওনাখনৰ পৰিকল্পনা ঋতুপৰ্ণ দাসৰ আৰু পৰিচালনা ডঃ দীপেন দাসৰ। গুৱাহাটীৰ বিভিন্ন বৈদ্যুতিন চেনেলৰ সাংবাদিকে অভিনয় কৰা এই ভাওনাখনিত ধৃতৰাষ্ট্ৰৰ চৰিত্ৰত অভিনয় কৰিছে মৃগাংক শইকীয়া, কৰ্ণ চৰিত্ৰত শোণিত কুমাৰ ভূঞা, শকুনি চৰিত্ৰত অভিজিৎ গোস্বামী আৰু কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছে বিমল ভূষণ মহন্তই। গান্ধাৰীৰ চৰিত্ৰত অভিনয় কৰিছে এঞ্জেলা চাংমাই।

ooooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি ছটা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলৰ ৰাজ্যিক নিৰ্বাচন সমিতিৰ সিদ্ধান্ত অনুসৰি এই প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰা হৈছে। আজি ঘোষণা কৰা তালিকা অনুসৰি সুচিত্ৰা নাথ, ভৈৰৱ কছাৰী, প্ৰেমাজলি ৰাভা, মেঘালী ৰাভা, অজিত ৰাভা আৰু কমলেশ্বৰ ৰাভাক দলে প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

ooooo

জনসাধাৰণক নিৰপেক্ষ আৰু ক্ষীপ্ৰ ন্যায় প্ৰদানৰ বাবে চৰকাৰে পূৰ্বে ঘোষণা কৰা বিচাৰ নিৰীক্ষণ সঞ্চালকালয় গঠনৰ কাম সম্পূৰ্ণ হৈছে। এই সঞ্চালকালয়ৰ প্ৰথমগৰাকী সঞ্চালক হিচাপে গুৱাহাটী উচ্চ ন্যায়ালয়ত অসম চৰকাৰৰ অধিবক্তা মাখন ফুকনক নিযুক্তি দিয়া হৈছে। অধিবক্তা ধনশে দাস, শান্তনু ভট্টাচাৰ্য আৰু মানস হালৈক উপ সঞ্চালক হিচাপে নিযুক্তি দিয়া হৈছে। এতিয়াৰে পৰা এই সঞ্চালকালয়ে অসম

আৰক্ষীক গোচৰসমূহৰ সঠিক তদন্তৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াব। পূৰ্বতে আৰক্ষীৰ তদন্তত ৰৈ যোৱা আসোঁৱাসমূহ বিচাৰ নিৰীক্ষণ সঞ্চালকালয়ৰ তৰফৰ পৰা দূৰ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কোকৰাঝাৰ জিলাৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক কেন্দ্ৰীয় অভিৱৰ্তন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বড়োলেণ্ড অঞ্চলৰ যুৱক-যুৱতীসকলৰ সৰলীকৰণ আৰু বিকশিত ভাৰত বিষয়বস্তুৰে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এটা মত বিনিময় কাৰ্যসূচীৰো আয়োজন কৰা হয়। এই মত বিনিময় কাৰ্যসূচীত ডাঃ পেগুৱে প্ৰগতিশীল বিটিআৰ আৰু বিকশিত ভাৰতৰ প্ৰতি অৰিহণা আগবঢ়োৱাৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰী তথা জনসাধাৰণৰ সামুহিক প্ৰচেষ্টাৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

০০০০

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটক লৈ দক্ষিণ শালমাৰা মানকাচৰ জিলা বিজেপিয়ে হাতশিঙিমাৰীত এখন সংবাদ মেল অনুষ্ঠিত কৰে। বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এই সংবাদমেলৰ জৰিয়তে নতুনকৈ নিযুক্তি লাভ কৰা জিলা সাধাৰণ সম্পাদক আব্দুল হালিম মুল্লাই বাজেট সম্পৰ্কে মতামত ব্যক্ত কৰে। অনুষ্ঠানত এই বাজেটখন ৰাজ্যবাসীৰ বাবে এখন জনকল্যানমুখী ঐতিহাসিক বাজেট বুলি দাবী কৰে।

০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত আজি পুৱা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্য সহ তিনি জন সৰবৰাহকাৰীক আটক কৰে। হাজো-গুৱাহাটীপথৰ আইন মহাবিদ্যালয়ৰ সমীপত মাদকদ্ৰব্যখিনি সৰবৰাহকৰাৰ সময়তে আৰক্ষীয়ে দিলনুৰ আলী, পীৰ হুছেইন আৰু হিকমত আলী নামৰ তিনিজন লোকক আটক কৰে। আৰক্ষীয়ে লোক তিনিজনৰ পৰা কেইবাটাও মাদকদ্ৰব্য ভৰ্তি কণ্টেইনাৰ আৰু এখন চাৰিচকীয়া বাহন জব্দ কৰে।

ইপিনে দৌল উৎসৱৰ আনন্দ-উল্লাখৰ মাজতে আজি বজালী জিলাৰ কঁঠালমুৰি ঘাটত বাঘমাৰা আৰক্ষীয়ে ভাংসহ দুজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে পহুমাৰা নৈৰ দলঙৰ ওপৰত তালাচী চলাই এখন স্কুটাৰৰ পৰা দুই কিলোগ্ৰামৰো অধিক ভং জব্দ কৰে। ধৃত লোক দুজন বজালীৰ চেউনীৰ বছিৰ আলী আৰু হলংবাৰীৰ আমিৰ হুছেইন বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ মুম্বাই ইণ্ডিয়ানছ ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। মুম্বাই ইণ্ডিয়ানছে যোৱানিশাৰ এলিমিনেটৰ খেলখনত গুজৰাট জায়েণ্টছক ৪৭ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ